সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৫২ সংখ্যা, ৯ পুহ , ৰবিবাৰ, ১৪২৯ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 52 Date Of Publication -25 December 2022 Rs.10.00/-

## অসম সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত সূৰ্য্য কান্ত হাজৰিকা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম সাহিত্য সভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা। ফলাফল অনুসৰি সভাপতি পদত জয়লাভ কৰে সূৰ্যকান্ত হাজৰিকাই।ইয়াৰ লগতে উপ সভাপতি পদত গিৰিশ সন্দিকৈ, প্ৰধান সম্পাদকৰ পদত জয়লাভ কৰে উপেন্দ্ৰজিৎ শৰ্মাই। নলবাৰী জিলা পুথিভঁৰালত অনুষ্ঠিত হৈছিল অসম সাহিত্য সভাৰ ভোট গণনা। প্ৰধান সম্পাদকৰ পদত ৫ গৰাকী প্ৰাৰ্থীয়ে আগবঢ়াইছিল প্ৰতিদ্বন্দ্বিতা। সভাপতি আৰু উপ-সভাপতি পদত পদত প্ৰাৰ্থিত্ব আগবঢ়াইছিল ৬ গৰাকীকৈ প্ৰাৰ্থীয়ে। এইবাৰৰ সাহিত্য সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল বিশিষ্ট সাহিত্যিক য়েচে দৰ্জে ঠংচিয়েও। অৰুণাচল নিবাসী অসমীয়া সাহিত্যিকগৰাকীয়ে সভাপতি পদৰ প্ৰতিদ্বন্দ্বিতাত দ্বিতীয় সৰ্বাধিক ভোট লাভ কৰিছিল। অসম সাহিত্য সভাৰ ২০২৩-২০২৫ বৰ্ষৰ নতুন কাৰ্যকালৰ বাবে সভাপতি হিচাপে নিৰ্বাচিত সূৰ্যকান্ত হাজৰিকাই লখিমপুৰৰ নাৰায়ণপুৰত অহা ৩১ জানুৱাৰী ৰ পৰা অনুষ্ঠিত হ'ব লগা অসম সাহিত্য সভাৰ অধিবেশনত সভাপতিৰ আসন অলংকৃত কৰিব। নলবাৰী জিলা পুথিভঁৰালত হোৱা ভোট গণনাৰ অন্তত ৩৩৫ টা ভোটত জয়লাভ কৰে। তেওঁ ৮৪ টা ভোটৰ ব্যৱধানত জয়লাভ কৰে। সেইদৰে সভাপতি পদৰ প্ৰাৰ্থী য়েছে দৰজে ঠংছি য়ে ২৫১ টা ভোট, জগদীশ পাটগিৰী য়ে ৩৭ নাহেন্দ্ৰ পাদুনে ৫৮, প্ৰহ্লাদ তাচাই ৫০ আৰু ৰোমান শৰ্মাই মাত্ৰ এটা ভোট লাভ কৰে। সেইদৰে প্ৰধান সম্পাদক পদত ৩১৫ টা ভোট লাভ কৰি উপেন্দ্ৰজিত শৰ্মা নিৰ্বাচিত হয়। তেওঁ নিকটতম প্ৰতিদ্বন্দীক ১৮৬ টা ভোটত পৰাস্ত কৰে। এই পদৰ প্ৰাৰ্থী ক্ৰমে যাদৱ চন্দ্ৰ শৰ্মাই ৮৮

( পাঁচ পৃষ্ঠাত চাওক)

## ৫ জানুৱাৰীত অনুষ্ঠিত হ'ব চতুৰ্থবৰ্গৰ পদৰ নিযুক্তিৰ সাক্ষাৎকাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- চতুৰ্থবৰ্গৰ ১৩, ৩৪১টা খালী পদ পূৰণৰ বাবে ৰাজ্যিক পৰ্যায়ৰ নিয়োগ আয়োগে অনুষ্ঠিত কৰা লিখিত পৰীক্ষাত উত্তীৰ্ণসকলৰ বাবে অহা ৫ জানুৱাৰীত অনুষ্ঠিত হ'ব বহু প্ৰত্যাশিত সাক্ষাৎকাৰ। এই সম্পৰ্কীয় চৰকাৰী জাননী অনুসৰি লিখিত পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলে সেই দিনা সকলো নথি-পত্ৰসহ সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ব লাগিব। সাক্ষাৎকাৰ তথা নথিপত্ৰ জমা দিয়াৰ প্ৰক্ৰিয়া সেই দিনা দুটা পৰ্বত সম্পন্ন হ'ব। প্ৰথম পৰ্বটো পুৱা ৯ বজাৰ পৰা আৰু দ্বিতীয় পৰ্বটো দিনৰ ১ বজাৰ পৰা। ৰাজ্যিক পৰ্যায়ৰ নিয়োগ আয়োগে লিখিত পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ বাবে অহা ২৯ ডিচেম্বৰত এডমিট কাৰ্ড দিয়াৰ ব্যৱস্থা কৰে। সাক্ষাৎকাৰ আৰু নথিপত্ৰ জমা দিয়া প্ৰক্ৰিয়া ক'ত কেতিয়া কোন সময়ত হ'ব, সেই বিষয়ে উল্লেখ থাকিব এডমিড কাৰ্ডত।' ২৯ ডিচেম্বৰৰ দিনৰ ১১ বজাৰ পৰা প্ৰাৰ্থীসকলৰ বাবে এডমিড কাৰ্ড ছেবাৰ ৱেবছাইট www.sebaonline.orgত উপলব্ধ হ'ব।

## হেঙেৰাবাৰীৰ শংকৰদেৱ নগৰত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ হেঙেৰাবাৰীত এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। হেঙেৰাবাৰীৰ শংকৰদেৱ নগৰত মনেশ্বৰ নাৰ্জাৰীৰ বাসগৃহত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটাত অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আৰক্ষীৰ লোক উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত জুই নিৰ্বাপন

( পাঁচ পৃষ্ঠাত চাওক)

## কণ্ঠশিল্পী দীপলিনাক মানসিকভাৱে হাৰাশাস্তি কৰা ব্যক্তিক আটক আৰক্ষীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- শেহতীয়াকৈ কণ্ঠশিল্পী তথা অভিনেত্ৰী দীপলিনা ডেকাক এজন লোকে মানসিকভাৱে হাৰাশাস্তি কৰাৰ অভিযোগত আৰক্ষীয়ে আটক কৰিছে। আৰক্ষীয়ে আটক কৰা লোকজন মৃদুল কুমাৰ নাথ বুলি চিনাক্ত কৰা হৈছে। দীপলিনাই দাখিল কৰা অভিযোগৰ ভিত্তিত চান্দমাৰী আৰক্ষীয়ে ব্যক্তিজনক আটক কৰে। ঘটনা অনুসৰি, ভঙাগড়ৰ বাসিন্দা মৃদুল নামৰ লোকজনে দীপলিনাক বহুদিনৰে পৰা মানসিকভাৱে হাৰাশাস্তি কৰি আহিছিল। লগতে মানুহজনে দীপলিনাৰ পৰিচালনাৰ সৈতে জড়িত লোকসকলক মাতি আহিছিল আৰু দীপলিনাক লগ পোৱাৰ কথা কৈ আহিছিল। ইয়াৰ



উপৰিও ধৃত মৃদুলে দীপলিনাক সঘনাই নিশা মাতিবলৈ গৈছিল আৰু অশালীন বাৰ্তা প্ৰেৰণ কৰি আহিছিল। ইপিনে, দীপলিনাই দাখিল কৰা এজাহাৰ অনুসৰি, শুক্ৰবাৰে সন্ধিয়া মৃদুল নাথে অনুমতি অবিহনে তেওঁৰ বাসগৃহত প্ৰৱেশ কৰি অশালীন ভাষাৰে গালি দিয়াৰ লগতে ঘৰৰ মূল্যবান আচবাব ভাঙি ধ্বংসলীলা চলাইছিল। আনহাতে, মানুহজনে দাবী কৰিছিল যে তেওঁ দুবছৰ আগতে দীপলিনাক বিয়া কৰাইছিল। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত নিৰ্যাতন সহিব নোৱাৰি দীপলিনাই শুক্ৰবাৰে নিশা আৰক্ষীৰ কাষ চাপি এজাহাৰ দাখিল কৰে। বৰ্তমান, চান্দমাৰী আৰক্ষীয়ে অভিযুক্তজনৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছে আৰু জেৰা চলাই আছে।

## নাৰেংগীত বন্যহস্তীৰ মুক্ত বিচৰণ

ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ নাৰেংগীৰ সেনা ছাউনীত এটা বনৰীয়া হাতীয়ে মুক্ত বিচৰণ কৰাক লৈ চাঞ্চল্যৰ সৃষ্টি হয়। আমচাং অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীটো সেৰা শিবিৰৰ মনোৰঞ্জন গৃহত প্ৰৱেশ কৰাৰ লগতে দীৰ্ঘসময় সেনা ছাউনীত মুক্ত বিচৰণ কৰে। পাছত সেনাবাহিনীৰ লগতে বনকৰ্মীৰ তৎপৰতাত বনৰীয়া হাতীটো বনাঞ্চললৈ খেদি পঠিওৱা হয়।

# অসম কেবিনেটে পৰ্যটন খণ্ডক উদ্যোগৰ মৰ্যাদা প্ৰদানৰ বাবে অনুমোদন জনায়



ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ সাপ্তাহিক কেবিনেটে অসমৰ পৰ্যটন খণ্ডক উদ্যোগৰ মৰ্যাদা প্ৰদানৰ বাবে অনুমোদন জনায়।এই অনুমোদনে ৰাজ্যিক ঔদ্যোগিক নীতিৰ উৎসাহজনক লাভ অৰ্জন কৰিবলৈ পৰ্যটন খণ্ডৰ অধীনৰ গোটবোৰক গুৰুত্বপূৰ্ণ ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰাৰ মূল দুৱাৰ মুকলি কৰে। অৱশ্যে, পূৰ্বতেও থ্ৰী ষ্টাৰ হোটেল তথা ৰিজৰ্ট আৰু নদী পৰিভ্ৰমণসমূহ অসম ঔদ্যোগিক নীতিৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ অধীনত অন্তৰ্ভুক্ত আছিল যদিও ঔদ্যোগিক নীতিৰ মুখ্য ক্ষেত্ৰসমূহত আন কেইবাটাও নতুন পৰ্যটন গোট, যেনে হেৰিটেজ হোটেল, বাংলো, কেম্পিং চাইট, ৰেষ্টুৰেণ্ট, বিনোদন পাৰ্ক, ৰ'পৱে, সংগ্ৰহালয়, ট্যুৰ অপাৰেটৰ সেৱা, দুঃসাহসিক উদ্যান, পানী ক্ৰীড়া আদিও অন্তৰ্ভুক্ত কৰা হ'ব। ই সামগ্ৰিকভাৱে পৰ্যটন গোট আৰু খণ্ডক অসমৰ বিনিয়োগ আৰু ঔদ্যোগিক নীতিৰ অধীনত উপলব্ধ লাভালাভ প্ৰাপ্ত কৰাত উৎসাহিত কৰিব; যিয়ে অসমৰ পৰ্যটন খণ্ডৰ বিকাশত যথাযথ গতি প্ৰদান কৰিব।সংবাদ মাধ্যমক অৱগত কৰি পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয় যে, "অসমত ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটকৰ বাবে পৰ্যটন কেন্দ্ৰ হোৱাৰ যথেষ্ট সম্ভাৱনা আছে আৰু ই ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন শ্চজিডিপিগ্গত মুখ্য অৱদানকাৰীৰূপে পৰিগণিত হ'ব। পৰ্যটন খণ্ডক প্ৰদান কৰা উদ্যোগৰ মৰ্যাদাই ৰাজ্যখনৰ পৰ্যটন-আধাৰিত অৰ্থনীতিৰ বিকাশত এক দৃষ্টান্তমূলক পৰিৱৰ্তন আনিব।" লগতে মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, "প্ৰাপ্ত নতুন মৰ্যাদাৰ বাবে পৰ্যটন খণ্ডই যথেষ্ট পৰিমাণৰ ব্যক্তিগত বিনিয়োগ লাভ কৰিব, যি বিনিয়োগকাৰীসকলৰ বাবে উদ্যোগ নীতি অনুসৰি উদগনি, ৰাজসাহায্য, পৰিশোধ আদিৰ সুবিধা প্ৰদান কৰিব আৰু এই বিনিয়োগকাৰীসকলে নতুন নিযুক্তিৰ সুযোগ সৃষ্টি কৰিবলৈ সক্ষম হ'ব। তেওঁ লগতে উল্লেখ কৰে যে, ৰাজহুৱা ব্যক্তিগত অংশীদাৰীত্ব (পি.পি.পি) পদ্ধতিৰ জৰিয়তে আন্তঃগাঁথনি বিকশিত হ'ব, যি এটা অঞ্চলৰ সামগ্ৰিক বিকাশত যথেষ্ট অৰিহণা যোগাব। এই নীতিৰ লক্ষ্য হৈছে, মূলধন গঠন আৰু লাভজনক নিযুক্তি সৃষ্টিৰ জৰিয়তে বহনক্ষম পৰিৱেশ অনুকূল বিনিয়োগ কৰা।"

# দিছপুৰ প্ৰেছ ক্লাৱত শিশু সাহিত্যিক ভূপেন চন্দ্ৰ দাসৰ "গেলিনিউ" উন্মোচন

ৰঙিলী বাৰ্তাসেৱা- মহানগৰীৰ দিছপুৰ প্ৰেছ ক্লাৱত শিশু সাহিত্যিক ভূপেন চন্দ্ৰ দাসৰ গেলিনিউ নামৰ বিজ্ঞান ভিত্তিক শিশু গল্প পুথিখনি উন্মোচন কৰা হয়। দিনৰ ৰ বজাত শনিবাৰে দিছপুৰ প্ৰেছ ক্লাৱত গল্প পুথিখন উন্মোচন কৰে বিশিষ্ট শিশু সাহিত্যিক তথা চোতালৰ পখিলাৰ সম্পাদক যুগললোচন দাসে। গল্প পুথি খনি উন্মোচন কৰি শিশু সাহিত্যিক গৰাকীয়ে শিশু সকলৰ বাবে শিশু সাহিত্যিক ভূপেন চন্দ্ৰ দাসৰ সুন্দৰ লেখনি আৰু বিজ্ঞানভিত্তিক সাহিত্যৰাজিৰ ওপৰত আলোকপাত কৰে। আনহাতে এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰাগজ্যোতিষ অসমীয়া সাপ্তাহিক কাকতৰ সম্পাদক শশীপ্ৰভা দাসে শিশু সাহিত্যৰ ওপৰত গঠনমূলক ভাষণ প্ৰদান কৰে। জ্যেষ্ঠ সাংবাদিক নয়নজ্যোতি তালুকদাৰে আঁত ধৰা এই গ্ৰন্থ



উন্মোচন অনুষ্ঠানত উপস্থিত থাকি ঈশান দৰ্পন কাকতৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক নৱ ঠাকুৰীয়াই শিশু সাহিত্যৰাজি আৰু অসমীয়া লেখক পাঠকৰ মাজত ব্যতিক্ৰম সৃষ্টিৰাজিৰে লিখা গেলিনিউ পুথিখনৰ লেখক তথা শিশু সাহিত্যিক ভূপেন চন্দ্ৰ দাসৰ মহান প্ৰচেষ্টাক বিশেষ শলাগ লয়। আনহাতে এই অনুষ্ঠানত সঁফুৰা শিশু আলোচনীৰ সম্পাদক ৰূপম বৰুৱাইও গল্পৰাজিৰ ওপৰত বহুমূলীয়া ভাষণ দিয়ে। উল্লেখযোগ্য যে আৰম্ভণিতে যুটীয়াভাৱে ধনশ্ৰী আৰু বনশ্ৰীয়ে পৰিৱেশন কৰা এটি বৰগীতৰ জৰিয়তে আৰম্ভ হোৱা গ্ৰন্থ উন্মোচন অনুষ্ঠানত শিশু সাহিত্যিক তথা ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী বিজয়া গগৈ, লেখকবৃন্দ, মহানগৰীৰ সাংবাদিক আৰু গণ্য মান্যলোকসকল উপস্থিত থাকে। শেষত গেলিনিউ পুথিখনৰ লেখক, শিশু সাহিত্যিক তথা ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ভূপেন চন্দ্ৰ দাসে অনুষ্ঠানত উপস্থিত থকা সকলো পাঠকসমাজলৈ শলাগৰ শৰাই আগবঢ়ায়।

# সমাজৰ ভয়ত দূৰলৈ গুচি গ'ল পল্লৱী আৰু ছফিকুল

ৰঙিলী বাৰ্তাসেৱা- হিন্দু যুৱতী আৰু মুছলমান যুৱকৰ প্ৰেমৰ এক কৰুণ পৰিণতি। হয়তো সমাজখনৰ ভয়ত চিৰবিদায় ল'লে এহাল প্ৰেমিক যুগলে। শোণিতপুৰৰ গুদামঘাটত সংঘটিত হৈছে এক কৰুণ ঘটনা। প্ৰেমত সফল হ'ব নোৱাৰি চিৰবিদায় মাগিলে পল্লৱী বৰা আৰু ছফিকুল ইছলামে।গেৰেজৰ ভিতৰত উদ্ধাৰ প্ৰেমিক-প্ৰেমিকাৰ এখন চুৰ্ণীৰে চিপ লৈ ওলমি থকা মৃতদেহ। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, বিশ্বনাথ চাৰিআলিৰ ছফিকুল ইছলাম শ্চ২৯গ্গ আৰু গহপুৰৰ পল্লৱী বৰাৰ(২৩) মাজত বহুদিন ধৰি চলি আছিল প্ৰেমৰ সম্পৰ্ক। দুয়ো যোৱা বৃহস্পতিবাৰে পলাই আহি শোণিতপুৰৰ গুদামঘাটৰ আব্দুল কৰিম নামৰ এজন সম্পৰ্কীয় ককাকৰ ঘৰত লুকাই আছিল। তেনে সময়তে যুৱকজনৰ পৰিয়ালে এই তথ্য লাভ কৰি দুয়োজনক বিচাৰি আহোতেই দুয়োজনক বিচাৰ-খোচাৰ কৰি এটা গেৰেজত দুই প্ৰেমিক প্ৰেমিকাক চিপ লোৱা অৱস্থাত প্ৰত্যক্ষ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীক খবৰ দিয়াত চাৰিদুৱাৰ আৰক্ষীয়ে মৃতদেহ দুটা উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰিছে। প্ৰেম সফল কৰিব নোৱাৰাৰ ভয়তে এই চৰম পন্থা লোৱাৰ সন্দেহ আৰক্ষীৰ। এই ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# গুৱাহাটী প্ৰেছ ক্লাবত গ্ৰন্থ উন্মোচনী সভা

ৰঙিলী বাৰ্তাসেৱা- যোৰা, ২২ ডিচেম্বৰ ২২ তাৰিখে গুৱাহাটীৰ প্ৰেছ ক্লাবত উন্মোচিত হয় মুম্বাই স্থিত অসমীয়া লেখক দেৱজিৎ শইকীয়াৰ এখনি গ্ৰন্থ 'commu-nicate in English ' লেখক অনুবাদক নিৰেন্দ্ৰ নাথ ঠাকুৰীয়াই উন্মোচন কৰে। বিশিষ্ট কবি কৌস্তভ মণি শইকীয়াই সভাপতিত্ব কৰা সভাখনত বিশিষ্ট অতিথি হিচাপে থাকে লেখক ড° ধৰণীধৰ গোস্বামী। লগতে উপস্থিত থাকে প্ৰথিতযশা সাহিত্যিক অৰূপা পতংগীয়া কলিতা, আৰু বিশিষ্ট সাংস্কৃতিক কৰ্মী নয়নপ্ৰসাদ আদি, বিশিষ্ট আবৃত্তি কাৰ পাপৰি শইকীয়া বৰাই সভাখন আঁতধৰে আৰু আবৃত্তি পৰিৱেশন কৰে। আৰু অনুষ্ঠানটিৰ সফল সমাপ্তি ঘটে। উক্ত গ্ৰন্থ খনি গুৱাহাটী গ্ৰন্থ মেলাত উপলব্ধ।

# প্ৰাক্তন ৰঞ্জি খেলুৱৈ কৌস্তুভ কাশ্যপ বৰুৱাৰ বিয়োগ



ৰঙিলী বাৰ্তাসেৱা- সুদক্ষ ক্ৰিকেটাৰ, প্ৰাক্তন ৰঞ্জি ট্ৰফী খেলুৱৈ নগাঁৰৰ কৌস্তভ কাশ্যপ বৰুৱা শ্চপৃথুগ্গৰ মৃত্যু। গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে প্ৰাক্তন ৰঞ্জি খেলুৱৈগৰাকীয়ে। দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল প্ৰাক্তন ক্ৰিকেটাৰগৰাকী। প্ৰখ্যাত চিত্ৰশিল্পী প্ৰয়াত প্ৰণৱ বৰুৱাৰ পুত্ৰ আছিল মৃত কৌস্তভ কাশ্যপ বৰুৱা (পৃথু)। শচীন তেণ্ডুলকাৰৰ সৈতেও সু-সম্পৰ্ক আছিল পৃথুৰ। সুদক্ষ ক্ৰিকেটাৰ গৰাকীৰ মৃত্যুত শোকৰ ছাঁ পৰিছে নগাঁৱত। প্ৰাক্তন খেলুৱৈগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই।

# অবৈধ দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদৰ যোৱাৰ, বটদ্ৰৱাৰ পিছত এইবাৰ বুলড'জাৰ চলিল মৈৰাবাৰীৰ বৰথল দলৈগাঁৱত

ৰঙিলী বাৰ্তাসেৱা- দুদিন পূৰ্বে নগাঁও জিলাৰ বটদ্ৰৱাৰ কেইবাখনো ঠাইত প্ৰশাসনে উচ্ছেদ চলোৱাৰ অন্ত নোহোৱাতে মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ বৰথল দলৈগাঁৱত প্ৰশাসনে চলালে উচ্ছেদ। তথ্য অনুসৰি বৰথল দলৈগাঁও হাইস্কুলৰ খেল পথাৰৰ অন্তৰ্গত আঠ বিঘা মাটিত অবৈধ বাবে ঘৰ সাজি বসবাস কৰি থকা প্ৰায় চল্লিছ টা পৰিয়ালে দখল কৰি আছিল হাইস্কুলৰ উক্ত খেলপথাৰৰ মাটিখিনি। পূৰ্বতে মৈৰাবাৰীৰ কাষৰীয়া ব্ৰহ্মপুত্ৰ গৰাখহনীয়াত ভূমিহীন হোৱা কেইবাখনো গাঁৱৰ প্ৰায় ৪০ ঘৰ মানুহ ১৯৯১ চনত বৰথল দলৈগাঁও হাইস্কুলৰ খেলপথাৰ উক্ত আঠ বিঘা মাটিত প্ৰথমে অস্থায়ী শিবিৰ পাতি আশ্ৰয় লৈছিল আৰু পিছলৈ এই সকল লোকে স্থায়ীভাৱে বসতি পাতিছিল স্কুলৰ উক্ত আঠ বিঘা মাটিত।আনহাতে একাধিক বাৰ জাননী দিয়াৰ পিছতো উক্ত অঞ্চলত এক প্ৰকাৰ অবৈধ বাবে বসবাস কৰি থকা কেইবাটাও পৰিয়ালে স্কুলৰ মাটি খালী কৰি নিদিয়াত লাহৰিঘাট ৰাজহ চক্ৰৰ



চক্ৰ বিষয়া স্বৰাজ ভাৰত লাগাছু আৰু মৈৰাবাৰী আৰক্ষী থানাৰ আৰক্ষী সকলে অৰ্ধসামৰিক বাহিনীৰ উপস্থিতিত বুলড'জাৰ লগাই উচ্ছেদ কৰা হয়।আনহাতে উচ্ছেদৰ জাননী পাই স্কুলৰ সন্মুখত ১৫-২০ খন অস্থায়ী দোকানৰ লগতে কেইবাখনো পৰিয়াল শ্ব-ইচ্ছাই আঁতৰাই নিয়ে অবৈধ বাবে সজা দোকান আৰু ঘৰ সমূহ। উচ্ছেদিত লোক সকলেও কোনো ধৰণৰ প্ৰতিবাদ নকৰাকৈ শান্তিপূৰ্ণ বাবেই প্ৰশাসনৰ নিৰ্দেশক সঁহাৰি জনায় আঁতৰাই নিয়ে নিজৰ ঘৰ সমূহ। উচ্ছেদৰ অন্তত মৰিগাঁও জিলাৰ উপায়ুক্ত দেৱাশীষ শৰ্মাই বৰথল দলৈগাঁৱত উপস্থিত হৈ উচ্ছেদ হোৱা অঞ্চল পৰিদৰ্শন কৰি কয় যে-এখন বিদ্যালয় হল এখন সমাজৰ প্ৰতীক। দলৈগাঁও অঞ্চলৰ সকলো শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীয়ে স্কুল খনত অধ্যয়ন কৰি তেওঁলোকৰ ভৱিষ্যত উজ্জল কৰিছে। পূৰ্বতে কিবা বিশেষ প্ৰয়োজনত উক্ত ঠাই খিনি এই সকল লোকক অস্থায়ী হিচাপে থাকিবলৈ দিয়া হৈছিল যদিও ইয়াৰ মানে এইটো নহয় যে স্কুল কলেজৰ মাটি এনেদৰে অবৈধ বাবে দখল কৰি ৰাখিব। স্কুলৰ মাটিত স্কুলীয়া ছাত্ৰ ছাত্ৰীয়ে খেলিব পাৰিব লাগিব ইয়াত কোনো ধৰণৰ কম্প্ৰমাইজ নহব বুলি কৈ অবৈধ দখলকাৰী সকলক এক প্ৰকাৰ সকীয়নী প্ৰদান কৰে জিলা উপায়ুক্ত গৰাকীয়ে।আনহাতে স্কুল খনৰ ছাত্ৰ ছাত্ৰীৰ লগতে স্কুল খনৰ শিক্ষক সকলে উচ্ছেদ অভিযানটি সফল বাবে কৰা বাবে জিলা উপায়ুক্তক ধন্যবাদ জ্ঞাপনৰ লগতে প্ৰশংসা কৰা পৰিলক্ষিত হৈছে।

# মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশৰ পিছতেই পৰিবহণ বিভাগে আৰম্ভ কৰিছে অপাৰেচন কুৰুক্ষেত্ৰ

ৰঙিলী বাৰ্তাসেৱা- সমাগত ৩১ ডিচেম্বৰৰ বাবে সাজু হৈছে ৰাজ্যৰ পৰিবহণ বিভাগ। পুৰণি বছৰটোক বিদায় দিয়াৰ লগতে নতুন বছৰক আদৰণি জনোৱাৰ সময়ত যাতে পথ দুৰ্ঘটনা সংঘটিত নহয় তাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰিছে কামৰূপ মহানগৰ জিলাৰ পৰিবহণ বিভাগে। বিগত বৰ্ষৰ ৩১ ডিচেম্বৰৰ তুলনাত এই বৰ্ষৰ ৩১ ডিচেম্বৰত পথ দুৰ্ঘটনাৰ সংখ্যা যাতে অতিকমেও ২০ শতাংশ কম হয় তাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে বিভাগীয় কৰ্তৃপক্ষলৈ নিৰ্দেশনা জাৰি কৰিছে। মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশৰ পিছতেই পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰাৰ উদ্দেশ্য আগত ৰাখি কামৰূপ মহানগৰ পৰিবহণ বিভাগে মঙলবাৰৰ পৰা আৰম্ভ কৰিছে অপাৰেচন কুৰুক্ষেত্ৰ। কুৰুক্ষেত্ৰ অভিযানৰ বাবে পৰিবহণ বিষয়াৰ লগতে শতাধিক পথ সুৰক্ষা মিত্ৰ নিয়োগ কৰা হৈছে। পথ সুৰক্ষা মিত্ৰসকলে দুৰ্ঘটনা সংঘটিত হোৱা স্থানত তৎকালে উপস্থিত হৈ সকলো ধৰণৰ সহায় আগবঢ়াব বুলি জানিবলৈ দিয়ে পৰিবহণ আয়ুক্ত তথা কামৰূপ (ম) জিলা পৰিবহণ বিষয়া গৌতম দাসে। উল্লেখযোগ্য যে, তীব্ৰবেগত বাহন চলোৱাৰ লগতে সুৰাপান কৰাৰ চালকৰ ক্ষেত্ৰত কঠোৰ হৈছে পৰিবহন বিভাগ। যান-বাহন আইন উলংঘা কৰা চালকৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ১৮৫ ধাৰাৰ অধীনত গোচৰ ৰুজু কৰি ১০ হাজাৰ টকাৰ জৰিমনা বিহাৰ উপৰিও ৩ মাহৰ পৰা ৬ মাহ পৰ্যন্ত চালকৰ অনুজ্ঞাপত্ৰ বাতিল হ'ব বুলি পৰিবহণ বিষয়া গৌতম দাসে জানিবলৈ দিয়ে।

# গুৱাহাটীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত ৰেগিঙৰ ঘটনা

ৰঙিলী বাৰ্তাসেৱা- শেহতীয়াকৈ ৰাজ্যৰ সৰ্বত্ৰে জোকাৰি যোৱা শিক্ষানুষ্ঠানসমূহৰ ৰেগিং কাণ্ডৰ মাজতে গুৱাহাটীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত (এইআই)আন এক ৰেগিঙৰ ঘটনা সংঘটিত হৈছে। জানিব পৰা অনুসৰি, এজন জ্যেষ্ঠ ছাত্ৰই ৰেগিংৰ নামত প্ৰতিষ্ঠানটোৰ এজন কনিষ্ঠ ছাত্ৰৰ এডাল সোণৰ চেইন কাঢ়ি লৈ যায়। ইয়াৰ উপৰিও, ভুক্তভোগী কনিষ্ঠ বৰ্ষৰ ছাত্ৰজনক বিবস্ত্ৰ কৰি অত্যাচাৰ কৰিছে বুলি জানিব পৰা গৈছে। জ্যেষ্ঠ ছাত্ৰই তেওঁৰ বিৰুদ্ধে অশ্লীল ভাষা ব্যৱহাৰ কৰি গালি-গালাজ পৰাৰ লগতে প্ৰহাৰ কৰিছে বুলি কনিষ্ঠ ছাত্ৰজনে অভিযোগ উত্থাপিত কৰিছে। ইয়াৰ উপৰিও, জ্যেষ্ঠ ছাত্ৰই নৱাগতজনৰ পৰা ৫০০ টকা দাবী কৰে। যেতিয়া নৱাগত ছাত্ৰজনে টকা দিবলৈ অমান্তি হোৱাত তেওঁক প্ৰহাৰ কৰে। ভুক্তভোগী ছাত্ৰজন বিশাল কাশ্যপ শালৈ বুলি চিনাক্ত কৰা হৈছে। ৰেগিং ঘটনা সন্দৰ্ভত তেওঁ গুৱাহাটীৰ চান্দমাৰী আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰিছে। ভুক্তভোগী ছাত্ৰজনে আৰক্ষীৰ ওচৰত দিয়া অভিযোগত হোষ্টেল ৱাৰ্ডেন দেৱজিৎ বড়ো আৰু আন দুজনৰ নাম উল্লেখ কৰিছে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে ৰেগিং কাণ্ডৰ সৈতে জড়িত দুজন ছাত্ৰক আটক কৰে।

# ছিকিমত সেনাৰ গাড়ী দুৰ্ঘটনাত পতিত হোৱাৰ ফলত ১৬ জন বিষয়া- জোৱান নিহত

ৰঙিলী বাৰ্তাসেৱা- সেনা সূত্ৰই সদৰী কৰা অনুসৰি উত্তৰ ছিকিমৰ লাছেনৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ দূৰৈৰ জেমা নামৰ অঞ্চলত সেনাৰ তিনিখন, গাড়ীৰ কনভয় গৈ থকাৰ সময়তে এখন বাছ তলৰ দ'খাৰৈত বাগৰি পৰে। থাংগুৰ অভিমুখে গৈ আছিল সেনাৰ তিনিওখন গাড়ী। পাহাৰৰ কেঁকুৰিত বাছখন ঘূৰোৱাৰ সময়ত চালকে নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলত বাছখন গৈ তলৰ দ'খাৰৈত বাগৰি পৰে। তাৎক্ষণিকভাৱে সেনাই উদ্ধাৰকাৰ্য আৰম্ভ কৰে। গুৰুতৰভাৱে আহত চাৰিজনক হেলিকপ্টাৰেৰে স্থানীয় হাস্পতাললৈ প্ৰেৰণ কৰা হয় যদিও চাৰিওজনৰ অৱস্থা সংকটজনক। ইফালে নিহত



১৬গৰাকী সেনাকৰ্মীৰ দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গেংটকৰ এছ টি এন এম হাস্পতাললৈ প্ৰেৰণ কৰা বুলি সেনাৰ এক বিবৃতিত সদৰী কৰা হৈছে। অৱশ্যে মৃত জোৱানসকল সেনাৰ কোনটো ৰেজিমেণ্টৰ সেই কথা বিবৃতিত প্ৰকাশ কৰা হোৱা নাই নিহতসকলৰ ভিতৰত তিনিগৰাকী বিষয়াও আছে। এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এক টুইটত উল্লেখ কৰিছে যে দুৰ্ঘটনাত জোৱানসকলৰ মৃত্যুত তেওঁ গভীৰভাৱে শোকাহত। ইফালে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে নিহত জোৱানসকলৰ পৰিয়াললৈ সমবেদনাও জ্ঞাপন কৰিছে। মৃত সেনা জোৱানসকলৰ ত্যাগ আৰু প্ৰতিশ্ৰুতিৰ বাবে তেওঁলোকৰ প্ৰতি সমগ্ৰ দেশ চিৰকৃতজ্ঞ থাকিব বুলিও উল্লেখ কৰে ৰাজনাথ সিঙে ।

# আকৌ উভতি আহিছে ক'ভিড

ৰঙিলী বাৰ্তাসেৱা- জাপান, চীন, আমেৰিকাত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পোৱাত হৈ পৰিছে কেন্দ্ৰীয় চৰকাৰ। চীনত নৰসংহাৰৰ সৃষ্টি কৰা কৰ'নাৰ অমিক্ৰনৰ উপৰূপ বি এফ-৭ প্ৰজাতিত ভাৰতত আক্ৰান্তৰ সংখ্যা চাৰিজনলৈ বৃদ্ধি পোৱাৰ পিছত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয় জৰুৰী বৈঠকত মিলিত হয়। এই জৰুৰী বৈঠকত পৰিস্থিতি পৰ্যালোচনা চলোৱাৰ লগতে দেশবাসীক অধিক জনসমাগম হোৱা স্থানত আৱশ্যকীয়ভাৱে মাস্ক পৰিধান কৰাৰ লগতে যিসকলে কৰ'না

( পাঁচ পৃষ্ঠাত চাওক)

# পশ্চিম বংশৰ মৌজাত সাহিত্য চৰ্চা

যোৰাখণ্ডৰ পৰা

মনোৰঞ্জন শৰ্মা

দামপুৰৰ সুযোগ্য সন্তান গড়কাপ্তানি বিভাগৰ অৱসৰ প্ৰাপ্ত মুখ্য অভিযন্তা মফিজুৰ ৰহমান শইকীয়াৰ কাপেৰেও বিভিন্ন গল্প আৰু কবিতা বিভিন্ন বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ পাইছে।

দামপুৰ গাঁৱৰেই গড়কাপ্তানি বিভাগৰ অধীক্ষক অভিযন্তা নেকিবুৰ ৰহমান শইকীয়াদেৰেও কলেজীয়া জীৱনৰে পৰা প্ৰান্তিক আৰু আন আলোচোনীত ধাৰাবাহিক ভাবে গল্প প্ৰকাশ কৰি আহিছে।

দামপুৰ নিবাসী সমাজকৰ্মী মঃ নাজিমুদ্দিন আলী শইকীয়া দেৱেও "কাইটত গোলাপৰ সুবাস" নামেৰে উপন্যাস এখনি প্ৰকাশ কৰিছে।

দামপুৰৰ দাউদ আলমৰ 'ৰঙ্গৰ কবিতাত সুৰ' আৰু 'শংকৰৰ অ, আ, ক, খ' নামৰ দুখনি গ্ৰন্থ ২০২২ চনত প্ৰকাশ পাইছে।

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ আবেদুৰ ৰহমান শইকীয়াৰ প্ৰকাশিত গ্ৰন্থ কেইখন হৈছে হজৰত চৈয়দ আবুল কাছেম খুৰচানী পীৰ চাহাবৰ জীৱনী, গীত আৰু কবিতা, গোৱালপাৰাৰ লেচেৰী বোটলা (প্ৰথম খণ্ড)। বৰ্ত্তমান সময়ত তেওঁ বিভিন্ন বাতৰি কাকতৰ নিয়মীয়া লেখক।

ইয়াৰোপৰি ১৯৯৮ চনতে স্থাপিত দামপুৰ শাখা সাহিত্য সভাৰ উদ্যোগত সাহিত্য চৰ্চা অব্যাহত আছে। দামপুৰৰ উদ্যোগী যুৱক তথা শিক্ষক মঃ ইৰফানুল হক তালুকদাৰৰ সম্পাদনাত 'দামপুৰ জ্যোতি' নামেৰে এখনি গ্ৰন্থ ২০০০ চনত সম্পাদিত হৈছে।

বৰহাৰদিয়া নিবাসী শ্ৰীমনোজ ঠাকুৰীয়াই ১৯৯৪ চনতেই "তপতী সম্বৰণ উপাখ্যান" আৰু "সৌভৰী মুনিৰ সংসাৰ বাসনা" নামক দুখন নাগাৰা নামৰ পুথি প্ৰকাশ কৰাৰ লগতে "অসমৰ সংবাদ পত্ৰৰ ইতিহাস আৰু সাংবাদিকতা" শীৰ্ষক গ্ৰন্থখনো প্ৰকাশ কৰে।

বৰ্ত্তমান কয়াটোল গাঁও নিবাসী ড° বিভাৰাণী কলিতা এগৰাকী সাহিত্য সেৱী হোৱাৰ সুবাদতে তেওঁ কেইবাখনো গ্ৰন্থ সম্পাদনা কৰাৰ উপৰিও ২০১৩ ইং বৰ্ষত Sankarcarja's Critique on Indian Philosophy, ২০১৫ ইং বৰ্ষত Studies on Indian Philisophy and



Religion আৰু ২০২০ ইং বৰ্ষত 'ধূলিকণা' শীৰ্ষক এখনি কবিতা পুথি প্ৰকাশ পায়।

ছাত্ৰাৱস্থাৰে পৰা সাহিত্য চৰ্চা কৰি ভালপোৱা সানপাৰা গ্ৰান্টৰ শ্ৰীদীনেশ কলিতাৰ বিভিন্ন লিখনি ১৯৮৭ চনৰে পৰা বিভিন্ন আলোচনীত প্ৰকাশ পায়। ১৯৮১ চনত অসম বাণী আৰু গণ বাতৰিত প্ৰথম অনুবাদ কবিতা প্ৰকাশ পায়। বৰ্তমান দৈনিক বাতৰি কাকত, আলোচনীৰ নিয়মীয়া লেখক শ্ৰীকলিতাই সম্পাদনা কৰা আলোচনী আজিৰ প্ৰাসঙ্গিক ১৯৯৩ "কেতেকী" স্মৃতিগ্ৰন্থ ১৯৯৩ চনৰ পৰা একেৰাহে সাঁত বছৰ লগতে "মেজি" ১৯৯৩ চনৰ পৰা একেৰাহে পোন্ধৰ বছৰ সম্পাদনা কৰি পঢ়ুৱৈ সমাজৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছে। ইয়াৰোপৰি "জ্ঞান আৰু বিজ্ঞান", "দাপোণ" আৰু "আমাৰ সাৰথি" ৰ সম্পাদনাৰ লগতো জড়িত হৈ আছে। শ্ৰী কলিতাৰ লিখনি সমূহ অসমৰ বিভিন্ন বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ পাই আহিছে। বৰ্ত্তমান চৰাই লেখক ৰূপে পৰিচিত শ্ৰীকলিতাই আনুবাদ কৰা- ইৰাণী আৰু চীনৰ গল্পসমূহ আমাৰ 'সাৰথি'ত কেইবামাহা প্ৰকাশ পাইছে। কল্প বিজ্ঞানৰ অনেক অনুবাদ গল্প মাহেকীয়া শিশু আলোচনী 'জ্ঞান বিজ্ঞান'ত প্ৰকাশ পাইছে।

পশ্চিমবংশৰ মৌজাৰ অন্তৰ্গত সানপাৰা গ্ৰ্যান্টৰ এগৰাকী সু সন্তান শ্ৰীৰত্নেশ্বৰ মেধি ডাঙৰীয়াই তেখেতৰ সুদীৰ্ঘ কৰ্মজীৱন বৰভাগ মহাবিদ্যালয়ত ইংৰাজী বিভাগৰ প্ৰবক্তা আৰু শেহতীয়া ভাবে বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি কিছুদিন পূৰ্বে আমাৰ মাজৰ পৰা আঁতৰি যায় যদিও তেখেতৰ কৰ্মৰাজিয়ে আজিও তেখেতক আমাৰ মাজত জীয়াই ৰাখিছে। এগৰাকী বিশিষ্ট সাহিত্যিক হিচাপে সুনাম অৰ্জন কৰা মেধিদেৱৰ ৰচনা সম্ভাৰবোৰ হ'ল- গল্প গ্ৰন্থ- গল্প গল্প লাগে(১৯৭০), ক্ষয়িযুও (১৯৭৯)পৰুৱাৰ দৰে(১৯৮২), আন এদিন (১৯৯৪), ৰক্তিম পাণ্ডুলিপি (১৯৮৬), গল্পৰ পৰিবৰ্ত্তে (১৯৯২), প্ৰমীলা নবৌৰ এদিনৰ দস্তাবেজ (২০০২), নিৰ্বাচিত গল্প(২০১০)। উপন্যাস - অৰণ্যত এৰাতি(১৯৯৬)। অনুবাদ গ্ৰন্থ- সাহিত্যৰ উদ্দেশ্য (১৯৮২), গাইড (১৯৮২), ধূৰ্তালি (১৯৮৬), লুচুনৰ শ্ৰেষ্ঠ গল্প, মেক্সিম গৰ্কীৰ শ্ৰেষ্ঠ গল্প, জেক লণ্ডনৰ শ্ৰেষ্ঠ গল্প। ইংৰাজী ব্যাকৰণ - Beginners Class room Grammar (১৯৯৬), ইয়াৰোপৰি দুখন নাটক, প্ৰায় দুশ কবিতা আৰু বহুতো প্ৰৱন্ধ ৰচনা কৰিছে।

শ্ৰীৰত্নেশ্বৰ মেধিৰ সুযোগ্য সন্তান ডাঃ পংকজ গোবিন্দ মেধিও এগৰাকী বিশিষ্ট কবি। ইতিমধ্যে বহুকেইখন গ্ৰন্থ ৰচনা কৰি তেওঁ অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থ সমূহ হ'ল- এংগোলা মুক্তি যুদ্ধৰ ইতিহাস (অনুবাদ ১৯৯৩), অনুভৱৰ সময় (কাব্য ২০০৬), নগ্নতা আপোনাৰ পত্নী পত্নী আপোনাৰ ব্যস্ততা (কাব্য ২০০১), প্ৰতিদিনৰ কবিতা সাদিনৰ কবিতা (কাব্য ২০০২), কাজিৰঙা (কাব্য ২০০৬), অপৰাহ্নিত্যৰ চহৰ (উপন্যাস ২০০৬), স্বপ্ন, কাল দুষ্ট (উপন্যাস ২০০৯), মধুমিতা মহন (উপন্যাস ২০১১), শ্ৰীমন্ত শংকৰদেৱ (জীৱনী গ্ৰন্থ ২০১১), সম্পূৰ্ণ অসমীয়া কবিতা (২০১৫), শ্ৰীহাৰা (উপন্যাস ২০১৬), চৰাই চুবুৰি (উপন্যাস ২০১৬), স্বপ্ন আৰু বাস্তৱ (প্ৰৱন্ধ ২০১৮), পৰগামী চহৰ (কবিতা ২০১৮), ৰঙা হাঁহি (কবিতা ২০১৮)।

ইয়াৰোপৰি অসমীয়া প্ৰতিদিন, অসম বাণী, দৈনিক জনমভূমি আৰু অসমীয়া খবৰৰ এগৰাকী স্তম্ভ লেখক হিচাপে সুনাম অৰ্জন কৰা শ্ৰীমেধিয়ে মাহেকীয়া অনুবাদ কাব্যালোচনী "তৰ্জমা", "বছৰৰ উপন্যাস" আদি কৰি কেইবাখনো আলোচনী সম্পাদনাৰ লগত জড়িত হৈ আছে।

শেহতীয়াকৈ ক্ষেত্ৰিহাৰদিয়া পঞ্চায়তক সামৰি লুইতপৰীয়া আঞ্চলিক শাখা সাহিত্য সভাৰ জৰিয়তে সাহিত্য চৰ্চা আৰম্ভ হৈছে। ক্ষেত্ৰিহাৰদিয়া গাঁৱৰে বোৱাৰী শ্ৰীননী বৰুৱাই শেহতীয়াকৈ তেওঁ লিখা কবিতাসমূহৰ পৰা প্ৰথম কবিতা পুথি অব্যৰ্থ জ্ঞানালোক (গীত আৰু কবিতা) প্ৰকাশ পাইছে।

ক্ষেত্ৰিহাৰদিয়া বহাগী বিদায় উদযাপন সমিতিয়ে বহাগী উৎসৱৰ পচিশ বছৰ পূৰ্ণ উপলক্ষে 'পাণচৈ' নামৰ এখনি স্মৃতি গ্ৰন্থ প্ৰকাশ কৰিছে ২০১৫ চনত।

সৰুলাহ নিবাসী শিক্ষয়িত্ৰী। ীপ্ৰভাৰতী দাসেও "ভক্তি অঞ্জলি" নামেৰে এখনি নাম প্ৰসংগৰ গ্ৰন্থ ২০১৯ চনতেই প্ৰকাশ কৰিছে।

২০২১ বৰ্ষৰ জানুৱাৰী

( ছয় পৃষ্ঠাত চাওক)

## দিন-মণি

নিতিশ্মান দাস
অষ্টম শ্ৰেণী



প্ৰভাতত আলোক ধৰাখনিত পৰে,
দিনৰ আৰম্ভণি সকলোকে জনালে।
দেখিছোঁ পুব দিশত প্ৰকাশি সুৰুজটি,
চৌদিশে সুৰুজৰ প্ৰকাশ গৈছে ভৰি ।
আকাশৰ যেন জিলিকি থকা চাকি,
নিশাৰ অন্ধকাৰক দিলে ঢাকি।
গছৰ পাতবোৰ যেন উঠিছে জিলিকি,
প্ৰাণ পাই উঠিলে সকলো, তোমাক দেখি।
সুৰুজটিয়ে সকলোৰে মন কৰিলে জয়,
সুৰুজটিৰ অবিহনে দিনৰ নাই পৰিচয় ।
সুৰুজটিৰ দৰে যেন প্ৰকাশি হব লাগে,
শিকিব লাগে এন্ধাৰক কেনেকৈ হৰে।
জীৱনৰ এন্ধাৰক প্ৰকাশে ঢাকা,
নিশাক নাশিবলৈ সুৰুজ হোৱা।
নব দিনৰ সপোন দেখাই সুৰুজে,
সপোনবোৰত সুৰুজে ৰং ভৰে।
তুমি অবিহনে সৃষ্টি অন্ধকাৰ,
তুমি অবিহনে জীৱৰ জানো, হব সঞ্চাৰ।
মইনাহতে সূৰ্যক দেখি হয় পুলকিত,
মইনাহতে পোহৰ দেখি হয় আচৰিত।
কেনেকৈ সুৰুজে পালে জিলিকণি ?
কেনেকৈ বাৰু পালে পোহৰৰ পাখি ?
আকাশখনি তুমি যেন কৰিলা নীলা,
আমাক চাবলৈ যেন অপেক্ষা কৰি থাকা।
কিছু লোকে তোমাৰ পূজা কৰে,
কিছু লোকে তোমাক ঈশ্বৰ বুলি ভাবে।
অধিক গৰম লাগে তুমি উগ্ৰ হ'লে,
শান্ত হ'লে দেহত শীতল বতাহ বলে।
তুমিয়েই কাল তুমিয়েই ভগৱান,
পোহৰ নাই ধৰাত তোমাৰ সমান ।

# অসম সাহিত্য সভাৰ সভাপতি

টা, অনুপ বৰঠাকুৰে ৮২ টা, দেৱজিত বৰাই ১২৯ টা আৰু ৰমানন্দন বৰাই ১১০ টা ভোট লাভ কৰে। ইপিনে উপ সভাপতি পদত নিৰ্বাচিত হয় গিৰিশ সন্দিকৈ। তেওঁ ২৮৪ টা ভোট লাভ কৰে। গিৰিশ সন্দিকৈয়ে ১৫১ টা ভোটৰ ব্যৱধানত জয়ী হয়। আন প্ৰাৰ্থী সকল ক্ৰমে বসন্ত শৰ্মাই ৫৮ ভোট লাভ কৰে। সেইদৰে ধীৰেন শৰ্মাই ১৩৩ টা ভোট, পবিত্ৰ বৰবৰাই ৪৬টা, গোবিন্দ তালুকদাৰে ৪৮ টা গণেশ চন্দ্ৰ নাথে ৩০ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য মুঠ ৭৩৪ টা ভোট গণনা হয়। মেইলত অহা ৬ টা ভোট গণনাও কৰা হয়। উল্লেখযোগ্য যে সঠিক তাৰিখৰ পিছত ৯ টা ভোট গ্ৰহণ হৈছিল যদিও নিৰ্বাচনী বিষয়া সকলে এই ভোট অগ্ৰাহ্য কৰে। ইপিনে পুৱাৰ ভাগত নলবাৰী জিলা সাহিত্য সভাৰ সৌজন্যত নলবাৰী নাট্য মন্দিৰত অসম সাহিত্য সভাৰ সপ্তম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক নলবাৰী অধিবেশন অনুষ্ঠিত হয়। নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱ জ্যোতি শৰ্মাই আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ দিয়ে আদৰণি সমিতিৰ সভাপতি বীৰেন চক্ৰৱৰ্তীয়ে। এই সভাত অসম সাহিত্য সভাৰ উপ সভানেত্ৰী মৃণালীনী দেৱী, প্ৰধান সম্পাদক যাদৱ শৰ্মা, জিলাৰ আৰক্ষী অধীক্ষক সুধাকৰ সিং, বিশিষ্ট সমাজকৰ্মী গণেশ তামুলী, নলবাৰী হৰি মন্দিৰ সমিতিৰ সম্পাদক নগেন ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, আদৰণি সমিতিৰ সভাপতি বীৰেন চক্ৰৱৰ্তী উপস্থিত থাকে। উল্লেখযোগ্য উদ্বোধনী অনুষ্ঠানৰ পিছতে সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়।

# হেঙেৰাবাৰীৰ শংকৰদেৱ

কৰে যদিও মনেশ্বৰ নাৰ্জাৰীৰ তৰ্জা বেৰৰ এটা ঘৰ ভস্মীভূত হয়। অৱশ্যে যাতায়াত অসুবিধাৰ বাবে ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হ'ব পৰা নাছিল বুলি দিছপুৰ অগ্নিনিৰ্বাপক বাহিনীৰ লোকে জানিবলৈ দিছে। আগ্নিকাণ্ডৰ কাৰণ পোহৰলৈ অহা নাই যদিও ঘৰৰ মন্দিৰত; লোৱা চাকিৰ পৰাই জুই লগা বুলি স্থানীয় লোকে সন্দেহ ব্যক্ত কৰে। আগ্নিকাণ্ডত বাসগৃহটোৰ লক্ষাধিক টকাৰ ক্ষয়-ক্ষতি হোৱা বুলি জানিব পৰা গৈছে।

# আকৌ উভতি

প্ৰতিষেধকৰ তৃতীয় পালি গ্ৰহণ কৰা নাই, তেওঁলোকক জৰুৰীকালীন ভাৱে ল'বলৈ আহ্বান জনোৱা হৈছে। লগতে ৰাজ্য চৰকাৰ সমূহক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে, কৰ'নাৰ নতুন ভেৰিয়েণ্টক লৈ পুনৰ প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ব পৰ্যালোচনা বৈঠক।



# বিশ্বকাপ ফুটবল ২০২২ ৰ ইটো সিটো

দেবৰ্ষি গৌতম, বনগাঁও



২০ নৱেম্বৰ তাৰিখে আৰম্ভ হৈ ১৮ ডিচেম্বৰ তাৰিখে সমাপ্ত হোৱা কাটাৰ বিশ্বকাপ ফুটবলৰ মহাৰণত বিশ্বৰ ৩২ দলে প্ৰতিদ্বন্দিতা আগবঢ়াই। এই ৩২ দলৰ তুমুল প্ৰতিদ্বন্দিতাৰ অন্তত লিয়'নেল মেছিৰ আৰ্জেন্টিনা দলটো শ্ৰেষ্ঠ দল হিচাপে বিজয়ী হবলৈ সক্ষম হয়। আৰ্জেন্টিনাৰ ফুটবল সম্ৰাট মাৰাডোনাৰ উত্তৰাধিকাৰী হিচাপে অভিহিত কৰা কিংবদন্তি ফুটবলাৰ লিয়'নেল মেছিৰ বিশ্বকাপ জয়ৰ সপোন পূৰণ হয় কাটাৰ বিশ্বকাপত। নিজৰ দুভৰিৰ যাদুৰে হেট্ৰিক অৰ্জন কৰি দৰ্শকৰ মান মুহিবলৈ সক্ষম হোৱা ফ্ৰান্সৰ কিলিয়ান এম্বাপেৰ একেবাৰেহে দুবাৰ বিশ্বকাপ জয় কৰা সপোন সপোন হৈয়ে ৰৈ যায়। এই বিশ্বকাপ বহুতো দিশৰ পৰা অসাধাৰণ হিচাপে পৰিগণিত হৈছে। ফিফা ৰেংকিংৰ ৫১ নং স্থানত থকা চৌদি আৰবে ফিফা ৰেংকিংৰ ৩ নং স্থানত থকা আৰ্জেন্টিনাক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰি বিশ্বকাপৰ প্ৰথমটো অঘটন সংঘটিত কৰে। ইয়াৰ পিছত ফিফা ৰেংকিংৰ ২৪ নম্বৰ স্থানত থকা জাপানে প্ৰথমে ফিফাৰ ১১ নং ৰেংকিংত থকা জাৰ্মানীক ২-১ আৰু ইয়াৰ পিছত ফিফাৰ ৭ নং ৰেংকিংত থকা স্পেইনক ২-১ গলৰ ব্যৱধানত হৰুৱাই আন এক অঘটন সংঘটিত কৰে। ইয়াৰ উপৰিও মৰক্কোৰ হাতত পৰাস্ত হয় বেলজিয়াম, কেমেৰুণৰ হাতত পৰাস্ত ব্ৰাজিল আনহাতে দক্ষিণ কোৰিয়াৰ হাতত পৰাস্ত হয় পৰ্টুগাল। ইয়াৰ পিছত আটাইতকৈ ডাঙৰ অঘটন সংঘটিত কৰে ফিফা ৰেংকিংৰ ২২ নং স্থানত থকা মৰক্কোৱে। মৰক্কোৱে প্ৰি-কোৱাটাৰ ফাইনেলত ট্ৰেইবেকাৰৰ সহায়ত স্পেইনক পৰাস্ত কৰাৰ বিপৰীতে কোৱাটাৰ ফাইনেলত পৰ্টুগালক পৰাস্ত কৰি আফ্ৰিকাৰ প্ৰথমটো দল হিচাপে বিশ্বকাপ ফুটবলৰ চেমিফাইনেলত প্ৰৱেশ কৰে। এই বিশ্বকাপত আয়োজক কাটাৰে গ্ৰুপ পৰ্য্যায়ৰ পৰা বিদায় লোৱা প্ৰথম দল হিচাপে পৰিগণিত হয়। ইয়াৰ উপৰিও গ্ৰুপ পৰ্য্যায়ৰ পৰা বিদায় লোৱা বিশ্ব ফুটবলৰ শক্তিশালী দল সমূহৰ ভিতৰত উল্লেখযোগ্য নামসমূহ হল ৰেলছ, ডেনমাৰ্ক, জাৰ্মানী, বেলজিয়াম আৰু উৰুগুৱে। চেমিফাইনেলত ফ্ৰান্সে মৰক্কোক আৰু আৰ্জেন্টিনাই ক্ৰ'য়েছিয়াক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। বিশ্বকাপ ট্ৰফী নিজৰ দেশৰ বাবে জয়ী কৰাৰ অন্তিম যুঁজত ফ্ৰান্স আৰু আৰ্জেন্টিনাৰ খেলুৱৈ সকলৰ প্ৰদৰ্শন আছিল অতি উন্নত মানদণ্ডৰ। নিৰ্ধাৰিত সময় আৰু অতিৰিক্ত সময়ৰ দুয়োটাতে আৰ্জেন্টিনাৰ হৈ অন্তিম বিশ্বকাপ খেলা লিয়'নেল মেছিয়ে দুটা আৰু এঞ্জেল ডি মাৰিয়াই এটা গল কৰাৰ বিপৰীতে ফ্ৰান্সৰ হৈ যুৱ খেলুৱৈ কিলিয়ান এম্বাপে হেট্ৰিক অৰ্জন কৰিবলৈ সক্ষম হয়। অৱশেষত ট্ৰেইবেকাৰৰ জৰিয়তে আৰ্জেন্টিনাই ফ্ৰান্সক ৪-২ গলৰ ব্যৱধানত পৰাজিত কৰি বিশ্বকাপ ফুটবলৰ বিজয়ী ট্ৰফীত চুমুক দিবলৈ সক্ষম হয়। বিশ্বকাপত আটাইতকৈ বেছি গল কৰিবলৈ সক্ষম হোৱা কিলিয়ান এম্বাপে লাভ কৰে গোল্ডেন বুট আনহাতে আৰ্জেন্টিনাৰ অধিনায়ক লিয়'নেল মেছি লাভ কৰে গোল্ডেন বল ইয়াৰ উপৰিও আৰ্জেন্টিনাৰ গল ৰক্ষক এমিলিয়ানো মাৰ্টিনেজে লাভ কৰে গোল্ডেন গ্ল'ভ আৰু আৰ্জেন্টিনাৰ এনজো ফাৰ্ণাণ্ডেজে লাভ কৰে শ্ৰেষ্ঠ যুৱ খেলুৱৈৰ বঁটা। ফুটবল বিশ্বকাপ বিজয়ী আৰ্জেন্টিনাই ফিফাৰ পৰা লাভ কৰে ৪২ মিলিয়ন মাৰ্কিন ডলাৰ আনহাতে দ্বিতীয় স্থানত থকা ফ্ৰান্সে লাভ কৰে ৩০ মিলিয়ন মাৰ্কিন ডলাৰ। তৃতীয় স্থানত থকা ক্ৰয়েছিয়াই লাভ কৰে ২৭ মিলিয়ন মাৰ্কিন ডলাৰ, চতুৰ্থ স্থানত থকা মৰক্কোৱে লাভ কৰে ২৫ মিলিয়ন মাৰ্কিন ডলাৰ, কোৱাটাৰ ফাইনেলত পৰাজিত হোৱা দলসমূহে লাভ কৰে ১৭ মিলিয়ন মাৰ্কিন ডলাৰ, প্ৰি-কোৱাটাৰ ফাইনেলত পৰাজিত হোৱা দলসমূহে লাভ কৰে ১৩ মিলিয়ন মাৰ্কিন ডলাৰ, গ্ৰুপ পৰ্যায়ৰ পৰা বিদায় লোৱা দল সমূহে লাভ কৰে ৯ মিলিয়ন মাৰ্কিন ডলাৰ। পৰাজিত হৈ বিফলতাৰে বিশ্বকাপৰ অভিযান আৰম্ভ কৰা আৰ্জেন্টিনাই বিশ্ব বিজয়ী হৈ সামৰণি মাৰে ফুটবল বিশ্বকাপৰ অভিযান।

# পশ্চিম বংশৰ মৌজাত সাহিত্য

মাহত প্ৰয়াত শ্ৰীমান চক্ৰৱৰ্তীৰ সহধৰ্মিনী শ্ৰীপ্ৰমীলা দেৱী চক্ৰৱৰ্ত্তীয়ে “সময় নিৰৱধি” নামেৰে এখনি উপন্যাস তেখেতৰ প্ৰথম গ্ৰন্থ হিচাপে প্ৰকাশ পায়।

২০২১ ইং বৰ্ষৰ শেষৰ ফালে বামুন্দী গাঁৱৰ সমাজকৰ্মী তথা মুক্তিযোদ্ধা প্ৰয়াত উত্তম চন্দ্ৰ শৰ্মাৰ সহধৰ্মিনী শ্ৰীশচী প্ৰভা দেৱীৰ “নামৰ সফুৰা” নামৰ এখনি গ্ৰন্থ কামৰূপ জিলা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশ পায়। বামুন্দী গাঁৱৰ শ্ৰীপ্ৰবোধ কলিতাই ২০২১ ইং বৰ্ষত “ঘূণাসূতিৰ পাৰে পাৰে” নামৰ এখন উপন্যাস আৰু “লহ প্ৰণাম” নামেৰে এখনি কবিতাপুথি প্ৰকাশ কৰে।

বিদ্যালয় - মহাবিদ্যালয়ৰ মুখপত্ৰবোৰৰ জৰিয়তেও বৃহত্তৰ অঞ্চলটোত সাহিত্য চৰ্চা অব্যাহত আছে। এইবোৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভা বিকশিত হোৱাৰ লগতে পৰৱৰ্ত্তী সময়ত একোগৰাকী সাহিত্য সেৱী হোৱাও পৰিলক্ষিত হৈছে। মুখপত্ৰবোৰ হৈছে বামুন্দী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ‘আদৰি’, হালোগাঁও উচ্চতৰ মাধ্যমিক বিদ্যায়ৰ “নিৰ্মালি”, বামুন্দী জি.এল সোঁৰণী হাইস্কুলৰ “শিখা”, পদ্মৰাম হাইস্কুলৰ ‘প্ৰয়াস’, ক্ষেত্ৰিহাৰদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ‘জ্ঞানপ্ৰদীপ’, বামুন্দী মহাবিদ্যালয়ৰ (কনিষ্ঠ) ‘আশাদীপ’, বামুন্দী মহাবিদ্যালয়ৰ ‘প্ৰয়াস’ আৰু দামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ‘জ্ঞান শিখা’।

আগলৈ

# আই..

অংকিতা গগৈ
পঞ্চম শ্ৰেণী ,টীয়ক



কোন হ'ব পাৰে
আইৰ দৰে
যাৰ ঋণ সুজিব নোৱাৰি
কোনো জনমে।
যাৰ হৃদয়ত মৰম-চেনেহ
আছে ভৰি
যাৰ পৰশত দূৰ হয়
আমাৰ দুখ-ব্যাধি।

# সময়ৰ খেলা

ৰূপৰেখা শৰ্মা



নাভাবি বা বন্ধু
তোমাক পাহৰিছো বুলি
ম'বাইল কম্পিউটাৰৰ লগত
খেলা কৰি কৰি
হৈ পৰিছো একোটা যন্ত্ৰ
সময়ৰ তাগিদাত
সমাজৰ দায়বদ্ধতাত
ভবা মতে নহয় নিজৰ কাম
নোৱাৰো পাহৰিব বিদ্যালয়ত
লগপোৱা মোৰ প্ৰিয় সহপাঠীসকলক
নাজানো সকলোৰে ঠিকনা
নাজনীন, প্ৰণালী, জুনুৰ জানো মাথোঁ ঠিকনা
হাঁহি থকা মধুমিতাৰ
হাঁহি ভৰা মুখখন দেখা পাওঁ
ৰাতিৰ আকাশত তৰাৰ মাজত
বাকী সকলৰ জানা যদি
দিবাচোন ঠিকনা
সময়ৰ খেলাটো
পাহৰিব পৰা নাই
স্কুলৰ সেউজীয়া
সাজযোৰৰ কথা
লগপালে কথা পাতিম
এৰি অহা দিনবোৰৰ
মধুৰ কথা।

JANASANYOG-3541/22



E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025
৯ পুহ ১৪২৯ চন Rongili Barta, Date of Publication--25 December,2022

ENGLISH NEWS SECTION

## Assam Governor visits Central Institute of Technology and Bodoland University in Kokrajhar



Guwahati, RB News- Assam Governor Prof Jagdish Mukhi, who is on a two-day visit to Kokrajhar on December 20 and 21, 2022, visited the Central Institute of Technology (CIT) and Bodoland University (BU) on Tuesday to take stock of the functioning of these two premier institutes. In his visit to CIT in Kokrajhar the Governor held a meeting with the director, deans, and other teaching and administrative officials of CIT. The Director i/c Prof. Hemanta Kumar Kalita made a presentation on 16 years of academic journey of the Institute. He also emphasized on the facilities the Institute is providing and also the challenges that the Institute is facing over the 16 years of inception. Speaking on the occasion the Governor said that, the quality of research work directly translates to the quality of teaching and learning in the classroom. Therefore, the teaching fraternity of CIT should pay more attention to research which will also lead them to attain a good ranking in the sphere of education. He urged upon the Director and other stakeholders of CIT to establish an apposite environment for research in campus and asked all the faculties to devote more time in research and bring a good name for the institute as well as for the region. He also observed that, the formulation of a multidisciplinary approach would certainly give a much-needed push to the implementation of NEP2020. Therefore the Institute should provide some skill based job-oriented short-term courses.

## Governor greets people on Christmas

Guwahati,RB News- Assam Governor, Prof. Jagdish Mukhi has extended his wishes to the people of Assam on the auspicious occasion of Christmas. In his message to the people, the Governor stated, "I convey my warm greetings and best wishes to the people belonging to Christianity in particular and others in general on the occasion of Christmas." The Governor also said, "On this day we celebrate the birth of Lord Jesus Christ who gave us the message of peace, sacrifice, love and compassion. So, on the day of Christmas let us all rededicate ourselves to the teachings of Lord Jesus for strengthening universal brotherhood and harmonious co-existence".

## Sam Curran becomes most expensive buy in IPL history



Guwahati, RB News- England all-rounder Sam Curran has become the most expensive buy in IPL history. The 24-year-old, with a base price of *2 crore, has been bought by Punjab Kings for 18.5 crore. The previous most expensive buy in IPL was Chris Morris, who was bought by Rajasthan Royals for 16.25 crore in 2021. As many as six teams bid for Curran.

## Workshop on Good Governance to be observed across Assam on December 23

Guwahati, RB News- Under the aegis of Ministry of Personnel, Public Grievances and Pension, Government of India andDepartment of Administrative Reforms and Public Grievances (DARPG), the Celebration on 'Good Governance Week – SushashanSaptah – Prashasan Gaon Ki Aur, 2022' commenced countrywide from December 19, 2022 which is scheduled to conclude on December 25, 2022. As part of this week-long celebration, camps and events were conducted at Tehsil Headquarter/ Panchayat Samitis etc. to resolve public grievances and for improved service delivery to the Public.Additionally, for effective implementation of Good Governance across all verticals in Government establishments, a Workshop on Good Governance covering practices and initiatives taken in the Districtduring the last five years, specifically in the field of Public Service Delivery Health, Education, Grievance Redressal and Public Works etc. will be organised in each District across the State on December 23. Furthermore,matters concerning the District and severalother activities such as film screening on District Level Initiatives etc., if any,will also be undertaken by the respective District authorities during the Workshop. In addition, on successful completion of the Workshop, all good governance practices that will be presented during the Workshop may be complied and shared on the 'Prashasan Gaon Ki Aur' portal www.pgportal.gov.in/GGW22along with relevant images.

## Hockey India announces squad for World Cup

Guwahati, RB News- Hockey India announced an 18-member squad for FIH Men's World Cup, beginning January 13, in Odisha. Harmanpreet Singh has been named as captain, while Amit Rohidas will be his deputy. The squad has been selected from 33 probables after a two-day trial in Sports Authority of India (SAI), Bengaluru. India are in Pool D along with England, Spain and Wales.

## Actress Rajeeta Kochhar passes away aged 70

Guwahati, RB New- Veteran actress Rajeeta Kochhar passed away on December 23 at the age of 70. The actress, who had suffered a brain stroke in September last year, began experiencing breathlessness and stomach pain on December 20 and was immediately rushed to the hospital. She was placed on a ventilator before she passed away due to renal failure.

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286